আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JANUARY 6, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।।প্ৰথম বছৰ, সংখ্যা ১২ Guwahati, Assam ।। মূল্যঃ এটকা

# প্ৰেম নিশ্চয় এনেকুৱাই!

**ই-সংবাদ বিশেষ, ৬ জানুৱাৰীঃ** তোমাৰ প্ৰেমত মোৰ নাও ডুবু ডুবু। তোমাৰ চকুৰ চাৱনিত প্ৰেম আছে। সেয়ে তোমাৰ চকুলৈ মই চায়েই থাকিম। ভালপোৱাৰ অনুভুতিয়ে মোক তোমাৰ কৰি পেলালে। সঁচাই প্ৰেম এনেকুৱাই। প্ৰেম সৰগৰ দৰে। নিজস্ব সত্তা আছে বাবেই প্ৰেমে নামানে জাতিকুল, ধৰ্ম, বৰ্ণ,

■ শেষাংশ ৩নং পৃষ্ঠাত



## ভূপালত ভাৰতীয় সংস্কৃতি আৰু সংস্কৃত ভাষাৰ প্ৰচাৰৰ বাবে ধুতি-পাঞ্জাৰী পিন্ধা ক্ৰিকেট প্ৰতিযোগিতা। বিজয়ী দলে লাভ কৰিব ৰাম মন্দিৰৰ উদ্বোধনী অনুষ্ঠান চোৱাৰ সুযোগ।



## সাংবাদিক নিগ্ৰহ, মুখ খুলিলে নগাঁৱৰ জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে

# ব্যৱস্থা ল'বনে?

ই-সংবাদ, ৬ জানুৱাৰীঃ নগাঁও জিলা আয়ুক্তই নিজ কাৰ্যালয়ত সাংবাদিক দিপাংকৰ মেধিক নিগ্ৰহ কৰাৰ ঘটনাক লৈ ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্য অব্যাহত আছে। ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিসকলে এই ঘটনাক একেমুখে ধিক্কাৰ জনাই জিলা আয়ুক্তক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে।

■ শেষাংশ ৩নং পৃষ্ঠাত

## 'হেডলাইন মেনেজ'ত ব্যস্ত বিজেপি: মহিমা সিং

# 'ন্যায় যাত্ৰা'ৰ বাবে সাজু কংগ্ৰেছ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ জানুৱাৰীঃ** ৰাহুল গান্ধীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা আৰম্ভ কৰিবলগীয়া 'ভাৰত জোৰো ন্যায় যাত্ৰা'ক লৈ অসমৰ ৰাজধানী গুৱাহাটীত কংগ্ৰেছৰ খদমদম লগা দেখা গৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনত এই যাত্ৰাৰ পৰিকল্পনা গুৱাহাটীতে কৰা হৈছে। ইতিমধ্যে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় নেতা-নেত্ৰীৰ গুৱাহাটী আগমন আৰম্ভ হৈছে। সৰ্বভাৰতীয় কংগ্ৰেছে নকৈ নিযুক্তি দিয়া অসম কংগ্ৰেছৰ মিডিয়া সমন্বয়ক তথা উচ্চতম ন্যায়ালৰ জ্যেষ্ঠ অধিবক্তা মাহিমা সিঙে গুৱাহাটীত উপস্থিত হৈ আজি ৰাজীৱ ভৱনত সংবাদমেল সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীক 'হেডলাইন মেনেজমেণ্ট' নেতা আখ্যা দিয়ে।

■ শেষাংশ ২নং পৃষ্ঠাত



প্ৰথম পৃষ্ঠাৰ পৰা...

# 'ন্যায় যাত্ৰা'ৰ বাবে সাজু কংগ্ৰেছ

নাওবৈচাৰ বিধায়ক তথা প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ ভৰত নৰহৰৰ সৈতে মহিমা সিঙে সংবাদমেল সম্বোধন কৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক আক্ৰমণ কৰি কেন্দ্ৰ ৰাজ্য চৰকাৰ হেড লাইন মেনেজ কৰাত ব্যস্ত থকা বুলি অভিযোগ উত্থাপন কৰে। মাহিমা সিঙে মুখ্যমন্ত্ৰীকো অসমৰ সমস্যাৰ বাবে দোষাৰোপ কৰি চমক দিয়া মুখ্যমন্ত্ৰী আখ্যা দিয়ে। মাহিমা সিঙে কয় "অসমৰ মুখ্যমন্ত্ৰীয়ে যান-জঁট নিয়ন্ত্ৰণৰ বাবে পথত নামি উপায়ুক্তক ধমক দিয়া আমি দেখিছো। ৰজা-মহাৰজা আহিছে নেকি বুলি ধমক দিছিল উপায়ুক্তক। মুখ্যমন্ত্ৰীয়ে জনগণৰ মুখ্যমন্ত্ৰী বুলি জহাব খোজে। কিন্তু মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে মুখ্যমন্ত্ৰীৰ ভ্ৰমণৰ বাবে জিলা উপায়ুক্তক পথ খালী কৰাৰ নিৰ্দেশ দিয়ে। চৰকাৰে হেডলাইন মেনেজ কৰিব জানে।" মণিপুৰ হিংসাৰ কথা উল্লেখ কৰি সিঙে কয় যে ৯ মাহ ধৰি মণিপুৰ জ্বলি আছে। কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে মণিপুৰলৈ গৈ জনগণৰ সৈতে সময় কটাইছে। যাৰ বাবে মণিপুৰৰ পৰা 'ভাৰত জোড়ো ন্যায় যাত্ৰা' আৰম্ভ কৰা হ'ব। আমি এই যাত্ৰাৰ সময়ত মণিপুৰৰ লোকৰ কথা তুলি ধৰিম। ৰাহুল গান্ধীয়ে জনতাৰ সৈতে বাৰ্তালাপ কৰিব। এই যাত্ৰাৰ লক্ষ্য হৈছে 'এতিয়া হ'ব ন্যায়'। এই যাত্ৰাৰ দ্বাৰা কংগ্ৰেছ দলে জনগণৰ ন্যায় আৰু জনগণৰ সমস্যাক আগ্ৰাধিকাৰ প্ৰদান কৰিব। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ দিনৰ পৰা কংগ্ৰেছে সদায়েই ন্যায়ৰ কথা উত্থাপন কৰি আহিছে। ব্ৰিটিছৰ বিৰুদ্ধে যুঁজি ন্যায় প্ৰদান আৰু এতিয়াৰ চৰকাৰৰ বিৰুদ্ধে জনগণৰ ন্যায়ৰ হকে কংগ্ৰেছে যুঁজিছে। হেডলাইন মেনেজমেণ্টকাৰীসকলৰ বিৰুদ্ধে যুঁজি ন্যায় স্থাপন কৰিবলৈ কংগ্ৰেছ দল তৎপৰ হৈছে। সিঙে আৰু কয় যে এই যাত্ৰাৰ মুখ্য লক্ষ্যই হৈছে জনসাধাৰণৰ দাবীক তুলি ধৰা। 'মন-কি-বাত'ক দূৰ কৰি ন্যায় স্থাপন কৰিবলৈ কংগ্ৰেছ সাজু হৈছে। এই যাত্ৰাত মহিলাৰ সমস্যা, নিবনুৱা সমস্যা, মূল্যবৃদ্ধিৰ সমস্যা দাঙি ধৰা হ'ব। শেহতীয়াকৈ দেশ কঁপোৱা গণ ধৰ্ষণ কাণ্ডৰ বিষয়টো উত্থাপন কৰি এই ধৰ্ষণ কাণ্ডত বিজেপি নেতা জড়িত থকা বুলি কৈ সিঙে কয় যে বেনাৰস হিন্দু ইউনিৰ্ভাচিটিৰ বাৰাণসী সংসদীয় সমষ্টি হৈছে প্ৰধানমন্ত্ৰীৰ সমষ্টি। ইয়াত এগৰাকী ছাত্ৰীক দলবদ্ধ ধৰ্ষণ কৰা হয়। ধৰ্ষণকাৰীসকল কোন বুলি কৈ সিঙে আৰু কয় যে বিজেপিৰ আইটি চেলৰ সৈতে জড়িত ধৰ্ষণকাৰীসকল। ইপিনে ভৰত নৰহে সংবাদমেলত ১৪ জানুৱাৰীৰ পৰা ৰাহুল গান্ধীৰ পদযাত্ৰা আৰম্ভ হ'ব বুলি কয়। লগতে ভৰত নৰহে দেৰগাঁৱৰ পথ দুৰ্ঘটনাক লৈ মুখ্যমন্ত্ৰীক সমালোচনা কৰে। ১ জানুৱাৰীত মুখ্যমন্ত্ৰীয়ে ২০২৩ চনত অসমত ৩০ নে ৪০ শতাংশ পথ দুৰ্ঘটনা হ্ৰাস পোৱা বুলি দাবী কৰাৰ কথা উল্লেখ কৰি নৰহে কয় যে এই দুৰ্ঘটনাৰ বাবে নেচনেল হাইৱে অথৰিটি দায়ী। নীতিন গাডকাৰীয়ে ৪ বছৰৰ ভিতৰত ৰাস্তাৰ নিৰ্মাণ শেষ হ'ব বুলি কৈছিল। নমুলীগড়ৰ পৰা যোৰহাট, যোৰহাটৰ পৰা শিৱসাগৰ, শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ পথৰ অৱস্থাৰ বাবে গাড়ী চলাচল কৰিব নোৱাৰে। গণপতি কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেডৰ লোকক চৰকাৰে কিয় গ্ৰেপ্তাৰ কৰা নাই বুলিও প্ৰশ্ন কৰে নৰহে। আনহাতে ৰাহুল গান্ধীৰ যাত্ৰাৰ তথ্য দাঙি ধৰি নৰহে কয় যে ১৮-২৫ জানুৱাৰীলৈ অসমত ৰাহুল গান্ধীয়ে পদযাত্ৰা কৰিব। অসমৰ ১৭ খন জিলাক সংযোগ কৰিব এই যাত্ৰাই। অসমত এই যাত্ৰা সুচাৰুৰূপে পৰিচালনাৰ বাবে ২৫খন উপ-সমিতি গঠন কৰা হৈছে। এই সমিতিত কণ্ট্ৰোল ৰুম, ৰোড সমিতি, পৰিকল্পনা সমিতি, ৰাজহুৱা সভা-সমিতি, পৰিবহন সমিতি, মিডিয়া সমিতি, প্ৰচাৰ সমিতি, ছ'চিয়েল মিডিয়া সমিতি আদি থাকিব। সৰ্বভাৰতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে.চি বেণুগোপাল আৰু অসমৰ তত্বাৱধায়ক জিতেন্দ্ৰ সিঙে ৯ জানুৱাৰীৰ পৰা অসমত বাহৰ পাতিব। ৯ জানুৱাৰীত কে.চি বেণুগোপাল আৰু জিতেন্দ্ৰ সিঙে কংগ্ৰেছে জিলা সভাপতি আৰু প্ৰদেশ কংগ্ৰেছৰ কাৰ্যনিৰ্বাহকৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰিব। এই যাত্ৰাত এনপিএছ ব্যৱস্থা বাহাল কৰাৰ বিষয়টোক গুৰুত্ব দিয়াৰ কথা উল্লেখ কৰি ভৰত নৰহে কয় "অসমত পুৰণি ব্যৱস্থা বাহাল কৰিব লাগে। কংগ্ৰেছ শাসিত ৰাজ্যত পুৰণি পেন্সন ব্যৱস্থা বাহাল কৰা হৈছে। অসমৰ মানুহে এইখন চৰকাৰৰ দিনত ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'ব বুলি আশা কৰাছিল। কিন্তু জনজাতিকৰণ কৰা নহ'ল। অসমৰ মানুহৰ দাবীক আওকান কৰি নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিবলৈ আগবাঢ়িছে বুলিও অভিযোগ কৰে নৰহে। উল্লেখ্য যে, ১৪ জানুৱাৰীত মণিপুৰৰ পৰা আৰম্ভ হ'বলগীয়া এই যাত্ৰাই মুঠ ৬,৭১৩ কিলোমিটাৰ অতিক্ৰম কৰি উপস্থিত হ'ব মহাৰাষ্ট্ৰত। ইয়াৰ লগত জড়িত লোকসকলে বাছেৰে আৰু খোজকাঢ়িও যাত্ৰা কৰিব। ভাৰত জোড়ো যাত্ৰাৰ জৰিয়তে ৰাহুল গান্ধীৰ নেতৃত্বত কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈ দক্ষিণৰ সৈতে উত্তৰক সংযোগ কৰাৰ পিছত এইবাৰ পূবৰ পৰা পশ্চিমলৈ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ জৰিয়তে সামৰি ল'ব বিচাৰিছে কংগ্ৰেছে।

# বিজেপি বিধায়ক ৰঞ্জিত দত্তৰ নিচাগ্ৰস্ত পুত্ৰক আটক!

**ষ্টাফ ৰিপ'ৰ্টাৰ, ৬ জানুৱাৰীঃ** ক্ষমতাই মূৰত ধৰিছে বিজেপিৰ নেতা তথা বিধায়ক-মন্ত্ৰীৰ সন্তানৰ। তাকেই যেন প্ৰমাণ কৰিলে প্ৰাক্তন মন্ত্ৰী তথা বিজেপিৰ বৰ্তমানৰ বিধায়কৰ পুত্ৰই। গুৰু-গোসাঁই নমনা বিজেপিৰ জ্যেষ্ঠ নেতা তথা বিধায়ক ৰঞ্জিত দত্তৰ পুত্ৰই মদ্যপান কৰি গাড়ী চলোৱাৰ অপৰাধত আটক কৰিবলগীয়া হয় গুৱাহাটী আৰক্ষীয়ে। ৫ জানুৱাৰীৰ নিশা এই ঘটনা সংঘটিত হৈছে গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী যোৰাবাটৰ ১৩ মাইলত। জানিব পৰা মতে, নিশা বিহালীৰ বিধায়ক ৰঞ্জিত দত্তৰ পুত্ৰ দীপজ্যোতি দত্তই অত্যাধিক মদপান কৰি এএছ-৩২-এ-৩৩৩৩ নম্বৰৰ ফৰচুনাৰ গাড়ীখন চলাই গৈছিল। আৰক্ষীৰ কোনো কথাই শুনিব নোখোজা দীপজ্যোতি দত্তই আৰক্ষীৰ সৈতে হতাহতি কৰিছিল বুলিও অভিযোগ উঠিছে। দীপজ্যোতি দত্ত, ঋষভ দাস, জুমন দাসসহ আন যুৱকক যোৰাবাট আৰক্ষীয়ে আটক কৰিবলগীয়া হয়। মদ্যপান কৰি গাড়ী চলোৱাৰ লগতে কৰ্তব্যৰত আৰক্ষীক আক্ৰমণৰ প্ৰয়াস কৰাত আটক কৰিবলগীয়া হয়। আৰক্ষীয়ে বিলাসী বাহনখনো জব্দ কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্যে যে দীপজ্যোতি দত্ত বিজেপিৰ ভাতৃ সংগঠন যুৱ মৰ্চাৰ বিশ্বনাথ জিলা সমিতিৰ সম্পাদকৰ দায়িত্বতো আছে। নিচাগ্ৰস্ত অৱস্থাত পুত্ৰ আৰক্ষীৰ হাতত আটক হ'বলগীয়া হোৱা ঘটনাই এতিয়া একপ্ৰকাৰ অস্বস্তিত পেলাইছে প্ৰাক্তন মন্ত্ৰী দত্তক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# সাংবাদিক নিগ্ৰহ, মুখ খুলিলে নগাঁৱৰ জিলা আয়ুক্ত




নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা দি ঘটনাৰ তদন্ত দাবী উত্থাপন কৰাৰ লগতে সাংবাদিকৰ সুৰক্ষা নিশ্চিত কৰাৰ দাবী জনায়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সাংবাদিক সংগঠনৰ লগতে গুৱাহাটী প্ৰেছ ক্লাৱে ঘটনাক গৰিহণা দিছে। ইমানৰ পিছতো আমোলাগৰাকীৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে গ্ৰহণ কৰা কোনো পদক্ষেপ। আনহাতে অসম আৰক্ষীও বিষয়টোক লৈ নিমাতে আছে। স'ততে সামাজিক মাধ্যমত প্ৰতিটো বিষয়ক লৈ পোষ্ট দিয়া ডিজিপি জি.পি সিঙে এই পৰ্যন্ত ঘটনাৰ তদন্ত ঘোষণা কৰা নাই। অসম আৰক্ষীৰ কনিষ্টবলে প্ৰশ্ন সোধা বাবেই এগৰাকী সাংবাদিকক দাগী অপৰাধীৰ দৰে দুৰ্ব্যৱহাৰ কৰাৰ পাছতো মুখ্যমন্ত্ৰী তথা ডিজিপিয়ে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসমত আমোলাৰাজ আৰম্ভ হোৱা বুলি দাবী কৰি সাংবাদিক আৰু সাংবাদিকৰ সংগঠনে ঘটনাক তীব্ৰ গৰিহণা দি ঘটনাৰ উচিত তদন্ত দাবী কৰিছে। জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰাৰ সময়তে বিগত প্ৰায় ২৪ ঘণ্টাৰ অন্তত নগাঁও জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে ঘটনাক লৈ মুখ খুলিছে। উক্ত ঘটনা শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ ঘটনা নহয় বুলি দাবী কৰি জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে সাংবাদিকজনৰ লেডী কনিষ্টবলৰ সৈতেহে কাজিয়া লাগিছিল বুলি কৈ এই অভিযোগক লৈ স্পষ্টীকৰণ দিয়ে। জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে কয় যে তেওঁ সাংবাদিকক আটাইতকৈ বেছি সন্মান কৰে। 'কালি এটা অনাকাংক্ষিত ঘটনা সংঘটিত হৈছে। কালি এজন সাংবাদিক আহিছিল। ছিনিয়ৰ চিটিজেনৰ অৰিজিনেল পেটিশ্যন আছিল। কামখিনি আগবাঢ়ি গৈছিল আৰু ডিছকাচন সমাপ্ত হৈছিল। তেওঁ ওলাই যোৱাৰ পাছত লেডী কনিষ্টবলৰ সৈতে টয়লেটক লৈ কাজিয়া লাগিছিল। তেতিয়া তেওঁ মোৰ ওচৰত কম্প্লেইন লৈ আহি ইমিডিয়েত একশ্যন বিচাৰিছিল। তেখেতে সকলো ৰেকৰ্ডিং কৰি আছিল। মই তেখেতক যাবলৈ ভদ্ৰভাৱে কৈছিলো। কিন্তু তেখেতে মনা নাই। মই তেতিয়া অৰ্ডাৰলি মাতি বাহিৰলৈ যাবলৈ দিও। এয়া ফিজিকেল এছল্ট নহয়। ফিজিকেল এছল্টৰ প্ৰশ্নই উঠিব নোৱাৰে। এয়া মিছা অভিযোগ।'- এইদৰে কয় জিলা আয়ুক্তগৰাকীয়ে। তেওঁ আৰু কয় যে সাংবাদিকৰ প্ৰশ্ন কৰাৰ ৰাইট আছে। 'সাংবাদিকে মোক প্ৰশ্ন কৰে। মই উত্তৰ দিও। পোলাইট-লি কোৱাৰ পাছতো তেওঁ ভিতৰত সোমাই গৈ ৰেকৰ্ডিং বন্ধ কৰা নাছিল। লেডী কনিষ্টবলৰ সৈতে কাজিয়া কৰাৰ সময়ত মই ভিতৰতে আছিলো। তেওঁ তেতিয়া অলপ এগ্ৰেছিভ আছিল।'-জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহে কয়। উল্লেখ্য যে সাংবাদিক দীপাংকৰ মেধিয়ে জিলা আয়ুক্তই প্ৰহাৰ কৰা বুলি অভিযোগ উত্থাপন কৰিছে। আনহাতে এই অভিযোগক জিলা আয়ুক্তই নস্যাৎ কৰিছে। সেইদিনা জিলা আয়ুক্তৰ কাৰ্যালয়ত কি হৈছিল সেয়া এক নিৰপেক্ষ তদন্তৰ দ্বাৰাহে পোহৰলৈ আহিব বুলি বিভিন্ন পক্ষই মত ব্যক্ত কৰিছে। ইফালে কাইলৈ সাংবাদিক আক্ৰমণৰ এই ঘটনাৰ প্ৰতিবাদ জনাই গুৱাহাটী প্ৰেছ ক্লাবে প্ৰেছ ক্লাৱ চৌহদত দিনৰ ১২ বজাত ক'লা বেজ পৰিধান কৰি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

# প্ৰেম নিশ্চয় এনেকুৱাই...

শাৰীৰিক গঠন। আজিও প্ৰিয়জনৰ আকুল চাৱনিত শিহৰিত হৈ উঠা প্ৰেমিক-প্ৰেমিকা এই পৃথিৱীত আছে নে বুলি যি প্ৰশ্ন উঠে সেই প্ৰশ্নৰ উত্তৰ দিছে এহাল প্ৰেমিক-প্ৰেমিকাই। দিছে ভালপোৱা নিৰ্ভেজাল হোৱাৰ প্ৰমাণ। প্ৰেম যে পবিত্ৰ সেই কথাকো আকৌ এবাৰ প্ৰমাণ কৰিছে এই প্ৰেমিকযুগলে। আজিৰ যুগতো এনে প্ৰেমৰ সাক্ষী হৈ থকা এহাল প্ৰেমিকযুগলক লৈ কনিকা তামুলী নামৰ এগৰাকী নেটিজেনে ফেচবুকত দিয়া এটা পোষ্টে লাভ কৰিছে বিশেষ চৰ্চা। চানডুবি মেলা চাবলৈ গৈ লগ পোৱা এহাল নৰ-নাৰীক লৈ দিয়া ফেচবুক পোষ্টটোত বহু লোকে কমেণ্ট কৰি কৈছে প্ৰেম আচলতে এনেকুৱাই। পোষ্টটোত কণিকা তামুলীয়ে লিখিছে 'আজি চানডুবি মেলালৈ গৈছিলো। আৰু তাত গৈ সকলোতকৈ ভাল লগা বিষয়টো আছিল এইটো। স্বামী-স্ত্ৰী। তেৰ বছৰ হল তেওঁলোকৰ সাংসাৰ। দূৰৰ পৰা দেখি মই চাই আছিলো, তিৰোতাজনীক হাতত ধৰি ধৰি তেওঁ ফুৰাই আছে। ভবা নাছিলো স্বামী বুলি। পিছত জানিবলৈ মন গ'ল আৰু ওচৰলৈ গৈ সোধাত হে গম পালো। মহিলাগৰাকী জন্মগতভাৱে অলপ বেলেগ। চাপৰ আৰু লগতে তেওঁৰ শাৰীৰিক গঠনো অলপ বেলেগ মানে ভৰি দুখন চুটি আৰু দেখি এনেকুৱা লাগিছিল যেন খোজ কাঢ়িবলৈ অলপ অসুবিধা হয়। বাৰু যিয়েই নহওঁক ভগৱানৰ সৃষ্টি। আৰু তাৰ বিপৰীতে পুৰুষজন এজন ভাল লগা, ভদ্ৰ, নৰ্মেল পুৰুষ। তেওঁলোকৰ হেনো প্ৰেম বিবাহ। মই আচৰিত হৈ গৈছিলো। এয়াহে আচলতে প্ৰকৃত প্ৰেম। এগৰাকী নাৰী কিমান সৌভাগ্যশালী হ'লে আচলতে এনেকুৱা প্ৰেম পাবলৈ সক্ষম হয়! আৰু যিটো সময়ত বহু পুৰুষে অকল নাৰীৰ দেহৰ লগত খেলা কৰি আছে, সেই সময়তে এই পুৰুষজনে তেওঁৰ আচল পুৰুষত্ব প্ৰমাণ কৰিছে। মই তাতেই তেখেতক ছেল্যুট দিছিলো। কিন্তু বেয়া পাব বুলি তেওঁলোকৰ ফোন নম্বৰহে খোজা নহ'ল। ভালে থাকক তেওঁলোক। কেতিয়াবা এইবিলাক দেখিলেও ভাল লাগে। প্ৰেম যে এতিয়াও জীয়াই আছে!' এই ইতিবাচক পোষ্টটো সম্প্ৰতি ভাইৰেল হৈ পৰিছে।

## ক্ষুব্ধ এবছু-বড়ো সাহিত্য সভা, বড়ো মাধ্যমৰ শিক্ষাৰ্থীৰ গুণোৎসৱ বৰ্জন

# কোকৰাঝাৰত গুণোৎসৱত বড়ো ভাষাৰ সলনি ইংৰাজীৰ পয়োভৰ

**ই-সংবাদ, কোকৰাঝাৰ, ৬ জানুৱাৰীঃ** পঞ্চম ৰাউণ্ড গুণোৎসৱৰ প্ৰথম পৰ্যায়ৰ বাহ্যিক মূল্যায়ন পৰীক্ষাৰ অন্তিমদিনা অৰ্থাৎ আজি কোকৰাঝাৰত এবছু আৰু বড়ো সাহিত্য সভাই ষষ্ঠ শ্ৰেণীৰ বড়ো মাধ্যমৰ শিক্ষাৰ্থীক গুণোৎসৱত অংশগ্ৰহণ কৰাৰ পৰা বিৰত ৰাখে। গুণোৎসৱত বড়ো মাধ্যমৰ ষষ্ঠ শ্ৰেণীৰ গণিত আৰু বিজ্ঞানৰ প্ৰশ্নকাকত বড়ো ভাষাৰ সলনি ইংৰাজী ভাষাত ছপোৱাক কেন্দ্ৰ কৰিয়ে এবছু আৰু বড়ো সাহিত্য সভা ক্ষুব্ধ হৈ পৰে আৰু তাৰেই পৰিণতিত আজি এবছু আৰু বড়ো সাহিত্য সভাই ষষ্ঠ শ্ৰেণীৰ বড়ো মাধ্যমৰ শিক্ষাৰ্থীক গুণোৎসৱত অংশগ্ৰহণ কৰাৰ বিৰত ৰাখে যাৰ পৰিণতিত কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়কে ধৰি ২৪ খন বিদ্যালয়ৰ বড়ো মাধ্যমৰ ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীয়ে গুণোৎসৱৰ পৰীক্ষা বৰ্জন কৰিলে। কোকৰাঝাৰ জিলা এবছুৰ সভাপতি খাম্ফা বসুমতাৰী আৰু কোকৰাঝাৰ বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক দোমাচু ব্ৰহ্মই সংবাদমাধ্যমৰ আগত কয় যে নতুন শিক্ষা নীতি অনুসৰি বড়ো মাধ্যমৰ শিক্ষাৰ্থীয়ে নিজৰ ভাষাতে গুণোৎসৱৰ মূল্যায়নত অৱতীৰ্ণ হোৱাৰ সুবিধা লাভ কৰিব লাগিছিল কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া হৈ নুঠিল। বিষয়টো সন্দৰ্ভত পূৰ্বতেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ড° ৰণোজ পেগুৰ সৈতে আলোচনা কৰা হৈছিল যদিও কাৰ্যকৰী নহ'ল। সেয়ে যেতিয়ালৈকে ষষ্ঠ শ্ৰেণীৰ বিজ্ঞান আৰু অংক বিষয়ৰ প্ৰশ্নকাকত ইংৰাজী ভাষাৰ পৰিবৰ্তে বড়ো ভাষাত যোগান নধৰে তেতিয়ালৈ পৰীক্ষা স্থগিত ৰখাৰ দাবী জনাইছে এবছু আৰু বড়ো সাহিত্য সভাই। উল্লেখ্য যে কোকৰাঝাৰৰ শিক্ষা বিভাগে এইবাৰ গুণোৎসৱ অতি নিয়াৰিকৈ অনুষ্ঠিত কৰাত সফল হৈছে। কোনো বিদ্যালয়তে খেলিমেলি হোৱা নাই। প্ৰতিখন বিদ্যালয়তে প্ৰয়োজন অনুসৰি এজনৰ পৰা ১১৫ জনলৈকে পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছিল। শিক্ষাবিভাগৰ দুৰদৰ্শী চিন্তাৰ বাবেই এইবাৰ পোণপ্ৰথমবাৰৰ বাবে সন্ধিয়াৰ পূৰ্বেই সকলো বিদ্যালয়তে গুণোৎসৱৰ কাৰ্যক্ৰমনিকা শেষ হয়। প্ৰণিধানযোগ্য আজি ১৪০ খন বিদ্যালয়ৰ ১১৫৪৫ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১০৮২৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে গুণোৎসৱত অংশগ্ৰহণ কৰে।

# ম'ৰে পুনৰ গঠনৰ দাবীত প্ৰধানমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ মেইটেৰ

## কুকি উগ্ৰপন্থীয়ে এলেকাটো নিঃশেষ কৰাৰ আশংকা

**ইম্ফল, ৬ জানুৱাৰীঃ** বিগত ৭ মাহে হিংসাত জৰ্জৰিত মণিপুৰ৷ শেহতীয়াকৈ থৌবাল জিলাৰ ম'ৰেত চাৰিগৰাকী মৈটে লোকক অস্ত্ৰধাৰীয়ে গুলীয়াই হত্যা কৰিছে৷ এই হত্যাকাণ্ডৰ পাছতে মেইটে সম্প্ৰদায়ে প্ৰধানমন্ত্ৰীক বিশেষ দাবী উত্থাপন কৰিছে৷ মেইটেই কাউন্সিল ম'ৰে চমুকৈ এমচিএমে ১৯৯১ চনৰ পূৰ্বৰ সাংস্কৃতিক চহৰ ম'ৰে পুনৰুদ্ধাৰৰ বাবে হস্তক্ষেপ বিচাৰি স্মাৰকপত্ৰ দাখিল কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক। মেইটে আৰু কুকিৰ সংঘৰ্ষৰ মাজতে কুকিক অনুপ্ৰৱেশকাৰী আখ্যা দি মেইটেই কাউন্সিল মোৰেহৰ সাধাৰণ সম্পাদক ব্ৰজেন্দ্ৰো মৈতেই প্ৰধানমন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰে৷ স্মাৰকপত্ৰত কাউন্সিলে কয় যে কুকি উগ্ৰপন্থীৰ বাবে ম'ৰেৰ পৰা বিতাড়িত সকলো লোকক ঘূৰাই আনি পুনঃসংস্থাপন কৰাত চৰকাৰে উপযুক্ত ব্যৱস্থা গ্ৰহণত বিফল হৈছে৷ ইয়াৰ লগতে কুকি পৰিয়ালসমূহক মোৰেত বসতি স্থাপন কৰিবলৈ অনুমতি দিয়া উচিত নহয় বুলিও কয় ব্ৰজেন্দ্ৰো মেইটেই৷ প্ৰধানমন্ত্ৰী মোদীৰ দৃষ্টি আকৰ্ষণ কৰি স্মাৰকপত্ৰত মণিপুৰৰ সীমান্তৱৰ্তী চহৰ ম'ৰেৰ ঐতিহাসিক গঠন আৰু বাৰ্মাৰ পৰা হোৱা অবৈধ অনুপ্ৰৱেশকাৰীৰ কথা উল্লেখ কৰা হয়৷ এই ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ হস্তক্ষেপ আৰু প্ৰয়োজনীয় পদক্ষেপ দাবী কৰি ইণ্ডো-ম্যানমাৰ সীমান্তৰ মৰে চহৰৰ পৰিস্থিতিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰে কাউন্সিলে। কাউন্সিলে স্পষ্ট কৰি কয় যে মেইটিছ, টাংখুল, তামিল, পাঞ্জাৱী আৰু মেইটেই পাংগলৰ দ্বাৰা স্থাপিত সীমান্তৰ ঐতিহাসিক চহৰ ম'ৰেৰ পুনৰ গঠন হ'ব লাগে৷ কুকিক অনুপ্ৰৱেশকাৰী আখ্যা দি বাৰ্মাৰ (ম্যানমাৰ) পৰা অবৈধ অনুপ্ৰৱেশকাৰী বুলি গণ্য কৰাৰ কথা উল্লেখ কৰে। কুকি উগ্ৰপন্থী আৰু সমৰ্থকসকলে ম'ৰেৰ পৰা বিভিন্ন সম্প্ৰদায়ক নিঃশেষ কৰিবৰ বাবে ১৯৯১ চনৰ পৰা কূটাঘাত সংঘটিত কৰিছে বুলি অভিযোগ আনে কাউন্সিলে৷

# সংসদত বিৰোধীক কথা ক'বলৈ নিদিয়ে বাবেই কংগ্ৰেছৰ ন্যায় যাত্ৰা

## সংবাদমেলত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেৰ মন্তব্য

**নতুন দিল্লী, ৬ জানুৱাৰীঃ** সংসদত মোদী চৰকাৰে গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিবলৈ নিদিয়াৰ বাবেই কংগ্ৰেছে আৰম্ভ কৰিছে 'ভাৰত জোড়ো ন্যায় যাত্ৰা'। শনিবাৰে এক সংবাদমেল সম্বোধন কৰি এই মন্তব্য কৰে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে। উল্লেখ্য যে, ভাৰত জোড়ো যাত্ৰাৰ সফলতাৰ পিছত এইবাৰ কংগ্ৰেছ সাংসদ ৰাহুল গান্ধীৰ নেতৃত্বত আৰম্ভ হ'ব 'ভাৰত জোড়ো'ৰ দ্বিতীয় সংস্কৰণ 'ভাৰত জোড়ো ন্যায় যাত্ৰা'। ১৪ জানুৱাৰীত মণিপুৰৰ পৰা আৰম্ভ হ'বলগীয়া এই যাত্ৰাই মুঠ ৬,৭১৩ কিলোমিটাৰ অতিক্ৰম কৰি উপস্থিত হ'ব মহাৰাষ্ট্ৰত। ইয়াৰ লগত জড়িত লোকসকলে বাছেৰে আৰু খোজকাঢ়িও যাত্ৰা কৰিব। কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেয়ে কয় যে ভাৰত জোড়ো ন্যায় যাত্ৰাত দেশৰ মৌলিক, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক বিষয়সমূহৰ ওপৰত গুৰুত্ব দিয়া হ'ব। তেওঁ ইণ্ডিয়া মিত্ৰজোঁটৰ নেতা আৰু নাগৰিক সমাজৰ সদস্যসকলকো এই পদযাত্ৰাত যোগদান কৰিবলৈ আমন্ত্ৰণ জনায়। উল্লেখ্য যে, কন্যাকুমাৰীৰ পৰা কাশ্মীৰলৈ দক্ষিণৰ সৈতে উত্তৰত সংযোগ কৰাৰ পিছত এইবাৰ পূবৰ পৰা পশ্চিমলৈ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ জৰিয়তে সামৰি ল'ব বিচাৰিছে কংগ্ৰেছে। খাৰ্গেই কয়, 'কংগ্ৰেছে ভাৰত জোড়ো ন্যায় যাত্ৰা আৰম্ভ কৰাৰ কাৰণ হৈছে চৰকাৰে আমাক সংসদত আমাৰ বিষয়সমূহ উত্থাপন কৰাৰ সুযোগ নিদিলে। এই মঞ্চৰ জৰিয়তে আমি ৰাইজৰ কথা শুনিম।' আনহাতে মণিপুৰৰ ৰাজধানী ইম্ফলৰ পৰা আৰম্ভ কৰি এই যাত্ৰা ৬৬ দিনত ১১০খন জিলা, ১০০খন লোকসভা সমষ্টি আৰু ৩৩৭টা বিধানসভা সমষ্টিৰ মাজেৰে পাৰ হ'ব বুলিও মন্তব্য কৰে খাৰ্গেয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সমালোচনা কৰি খাৰ্গেই কয় যে মণিপুৰত দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছে আৰু প্ৰধানমন্ত্ৰীয়ে এতিয়াও হিংসা জৰ্জৰিত ৰাজ্যখন ভ্ৰমণ কৰা নাই।




■দেৰগাঁৱত পথ দুৰ্ঘটনাত নিহতসকলৰ স্মৃতিত গোলাঘাটৰ চ্যুকাফা চাৰ্কোলত বন্তি প্ৰজ্বলন টাই আহোম যুৱ পৰিষদৰ

## গন্তব্য স্থানত উপনীত ইছৰোৰ সূৰ্যযান আদিত্য এল-১

**নতুন দিল্লী, ৬ জানুৱাৰীঃ** নতুন বছৰটোৱে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা চমুকৈ ইছৰোৰ বাবে আনিছে ভাল খবৰ৷ সূৰ্য্যক লৈ গৱেষণা কৰিবলৈ মহাকাশলৈ প্ৰেৰণ কৰা 'আদিত্য এল-১' গন্তব্য স্থানত উপনীত হোৱা বুলি ইছৰোৱে প্ৰকাশ কৰিছে৷ পৃথিৱীৰ পৰা প্ৰায় ১৫ লাখ কিলোমিটাৰ অতিক্ৰমী 'আদিত্য এল-১' মহাকাশ যানখনে কক্ষপথত উপনীত হয়। ইছৰোৱে কয় যে 'এল ১ পইণ্ট'ৰ চাৰিওফালে থকা হেলো কক্ষপথত উপগ্ৰহৰ পৰা সূৰ্য্যক স্পষ্টকৈ আৰু অবিৰতভাৱে দেখা পোৱা যায়। ফলত সৌৰ কাৰ্যকলাপ আৰু মহাকাশত প্ৰভাৱ পৰ্যবেক্ষণ কৰাত লাভৱান হ'ব পৰা যাব।

## ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ আমন্ত্ৰণ

# মুছলমান পক্ষৰ মোকৰ্দমাকাৰী ইকবালৰ ঘৰত আৰএছএছৰ নেতা

**নতুন দিল্লী, ৬ জানুৱাৰীঃ** বাবৰি মছজিদ গোচৰত মুছলমান পক্ষৰ হৈ মোকদৰ্মা চলোৱা ইকবাল অনছাৰীক ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছে শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসে৷ শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসৰ হৈ নিমন্ত্ৰণী পত্ৰ প্ৰদান কৰে আৰএছএছ নেতাই৷ ন্যায়ালয়ৰ ৰায়ৰ পাছতে দীৰ্ঘকাল বিতৰ্কৰ মাজত থকা ৰাম মন্দিৰৰ নিৰ্মাণ আৰম্ভ হৈছিল৷ অহা ২২ জানুৱাৰীত ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ'ব৷ এই প্ৰাণ প্ৰতিষ্ঠা কাৰ্যসূচীলৈ দেশৰ বিশিষ্ট লোকক নিমন্ত্ৰণ জনাইছে শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসে৷ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কংগ্ৰেছ নেত্ৰী ছোনীয়া গান্ধীক নিমন্ত্ৰণ জনোৱা হৈছে৷ কিন্তু আৰএছএছৰ হতুৱাই শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাস নিমন্ত্ৰণ জনাইছে সাধাৰণ ইছলামধৰ্মী ইকবালক৷ এইগৰাকী ইকবালক মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা বিষয়টোক লৈ সংবাদমাধ্যমত ব্যাপক চৰ্চা হৈছে৷ আৰএছএছৰ নেতাই ইকবাল অনছাৰীৰ অযোধ্যাৰ ঘৰলৈ গৈ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ সাদৰেৰে আমন্ত্ৰণ জনাইছে৷ মুছলমান পক্ষৰ প্ৰধান মোকৰ্দমাকাৰী ইকবাল আনছাৰীক ২২ জানুৱাৰীত অযোধ্যাত ৰাম মন্দিৰ উদ্বোধনী অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে। অযোধ্যাত মন্দিৰ নিৰ্মাণৰ দায়িত্বত থকা শ্ৰী ৰাম জন্মভূমি তীৰ্থ ক্ষেত্ৰ ন্যাসে শুকুৰবাৰে ইকবালক আমন্ত্ৰণ জনোৱাৰ সিদ্ধান্ত লয়। অযোধ্যাৰ ৰামপথৰ কোটিয়া পাঞ্জিটোলা অঞ্চলৰ বাসিন্দা ইকবালে কয় যে মোক এখন নিমন্ত্ৰণ পত্ৰ দিয়া হৈছে। ট্ৰাষ্টৰ হৈ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ কৰ্মীসকলে ঘৰলৈ আহি নিমন্ত্ৰণী পত্ৰখন প্ৰদান কৰে। ২০২০ চনৰ আগষ্ট মাহত ৰাম মন্দিৰৰ আধাৰশিলা স্থাপন আৰু ভূমি পূজন অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছিল আনচাৰীক৷ আনচাৰীয়ে কৈছিল ভগৱান ৰামৰ ইচ্ছা যে মই নিমন্ত্ৰণ পাইছো আৰু গ্ৰহণ কৰিছো।

উল্লেখ্য যে, বাবৰি মছজিদ-ৰাম জন্মভূমি গোচৰৰ অন্যতম পক্ষ আছিল ইকবাল আনছাৰী৷ কিছুদিন পূৰ্বে নৰেন্দ্ৰ মোদীয়ে অযোধ্যা ভ্ৰমণ কৰাৰ সময়তে বাবৰি মছজিদ গোচৰ ৰুজু কৰা ইকবালে অযোধ্যাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰণি জনাইছিল। ইকবালে সিদিনা কৈছিল যে প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানলৈ আমন্ত্ৰণ জনাবলৈ ২২ জানুৱাৰীত অনুষ্ঠানলৈ যাম। আনচাৰীয়ে কৈছিল, যদি মই নিমন্ত্ৰণ পাওঁ, মই নিশ্চিতভাৱে যাব বিচাৰো।



২০২৪-২০২৫ বৰ্ষৰ অসম বাজেট সন্দৰ্ভত বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু বিত্ত বিভাগৰ বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক, শনিবাৰে

# আৰক্ষীৰ চাপত কোকৰাঝাৰত এনএলএফবিয়ে ত্যাগ কৰিলে শিবিৰ



**ই-সংবাদ, কোকৰাঝাৰ, ৬ জানুৱাৰীঃ** কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী চান্দামাৰীস্থিত এন এল এফ বিৰ ডেজিগনেট শিৱিৰৰ কেডাৰ সকলক কালি নিশা কোকৰাঝাৰ আৰক্ষীয়ে শিবিৰ ত্যাগ কৰিবলৈ বাধ্য কৰাৰ পিছত আজি এনএফবিৰ সাধাৰণ সম্পাদক (এন বাথা পন্থী) এন পাঞ্জাৰীয়ে এক সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত এনএফবিৰ সাধাৰণ সম্পাদক এন পাঞ্জাৰীয়ে কয় যে বিগত ৪ বছৰ ধৰি তেওঁলোক শিবিৰতে আছিল। ৪ বছৰ পিছত শিৱিৰ পৰিত্যাগ কৰিবলৈ বাধ্য কৰোৱাৰ আঁৰত ৰাজনৈতিক কাৰণ আছে বুলি উল্লেখ কৰি কয় যে চৰকাৰে তেওঁলোকক দুই লাখ টকাকৈ দি ঘৰলৈ উভতি যোৱাৰ চাপ দি আছিল। কিন্তু তেওঁলোকে সেয়া প্ৰত্যাখান কৰি এনডিএফবিৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন দৈমাৰীক জেলৰ পৰা মুক্তি দিয়া, এনএলএফবিৰ সেনাধ্যক্ষ এন বাথাক মুকলি কৰি দিয়া আৰু এনএলএফবিৰ দাবী সন্দৰ্ভত আলোচনা কৰিবলৈ দাবী উত্থাপন কৰে। উল্লেখ্য যে কালি নিশা কোকৰাঝাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা) পৃথ্বিৰাজ ৰাজখোৱাৰ নেতৃত্বত যোৱা আৰক্ষীৰ এটি বিশাল দলে কোকৰাঝাৰৰ চান্দামাৰীস্থিত আলোচনাপন্থী এন এল এফ বিৰ ডেজিগনেট শিৱিৰটো নিশাৰ ভিতৰতে খালি কৰায়। উক্ত শিবিৰটোত ৫৩ গৰাকী কেডাৰে বাহৰ পাতি আছিল আৰু তেওঁলোকক আৰক্ষীয়ে কেবাবাৰো শিবিৰ খালী কৰিবলৈ কৈছিল। কালি নিশা আৰক্ষীৰ দলৰ সৈতে কেডাৰসকলৰ কিছু বাক-বিতণ্ডাৰো সৃষ্টি হৈছিল।

# সাংবাদিক নিগ্ৰহৰ ঘটনাক গৰিহণা সাংবাদিক সুৰক্ষা মঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ

**ই-সংবাদ, চাবুৱা, ৬ জানুৱাৰীঃ** নগাঁও জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত সাংবাদিকক প্ৰহাৰ কৰাৰ ঘটনাক তীব্ৰ গৰিহণা দিছে সাংবাদিক সুৰক্ষা মঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ধনটি শইকীয়া আৰু সাধাৰণ সম্পাদক তপন কুমাৰ শইকীয়াই৷ এক বিবৃতিযোগে সাংবাদিক সুৰক্ষা মঞ্চৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ধনটি শইকীয়া আৰু সাধাৰণ সম্পাদক তপন কুমাৰ শইকীয়াই গুৱাহাটীস্থিত ব্যক্তিগত নিউজ চেনেলৰ সাংবাদিক দীপাংকৰ মেধিক নগাঁৱৰ জিলা আয়ুক্তই প্ৰহাৰ কৰাৰ লগতে আৰক্ষীয়ে অপদস্থ কৰাৰ ঘটনাক গৰিহণা দিয়ে৷ এই ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্ত কৰি জিলা আয়ুক্ত নৰেন্দ্ৰ শ্বাহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈকো দাবী উত্থাপন কৰিছে সংগঠনটোৱে৷ সাংবাদিক সংগঠনটোৱে এই ঘটনাৰ বিৰুদ্ধে ৰাজ্যখনৰ সৰ্বস্তৰৰ সাংবাদিক তথা সাংবাদিক সন্থাই একেমুখে গৰিহণা দিয়াটো শুভ লক্ষণ বুলি কৈ কয় যে অসমত সাংবাদিকৰ সুৰক্ষা নোহোৱা হোৱাতো সৰ্বজনবিদিত৷ যেতিয়াই তেতিয়াই অসমত সাংবাদিক নিগ্ৰহৰ বলি হয়৷ সাংবাদিকৰ সুৰক্ষা দিয়াটো দূৰৰ কথা, কেতিয়াও সাংবাদিকে ন্যায় লাভ নকৰে৷ এইবাৰ খোদ আইএএছ বিষয়া তথা জিলা আয়ুক্তই সাংবাদিকক প্ৰহাৰ কৰিছে৷ কেমেৰা জব্দ কৰি ভিজুৱেল ডিলিট কৰিছে৷ আৰক্ষীয়ে সাংবাদিকক কুখ্যাত অপৰাধীৰ দৰে ব্যৱহাৰ কৰিছে৷ এই ঘটনাই পুনৰবাৰ প্ৰমাণ কৰিছে যে অসমত অনা-অসমীয়া আমোলাই এতিয়া আমোলাৰাজ আৰম্ভ কৰিছে৷ কৰ্তব্যৰত সাংবাদিক দীপাংকৰ মেধিক অপদস্থ কৰাৰ ঘটনাৰ তদন্ত খৰতকীয়া কৰাৰ লগতে জিলা আয়ুক্তক শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে সাংবাদিক সুৰক্ষা মঞ্চই৷ এনে ঘটনা যাতে দুনাই সংঘটিত নহয় তাৰ ব্যৱস্থা কৰিবলৈকো সকীয়াই দিয়ে মঞ্চই।

# নামানে নিৰ্দেশনা, হঠাৎ হৈ যায় দুৰ্ঘটনা!

■ **সঞ্জয় ৰবিদাস**

পথ দুৰ্ঘটনা পথ ব্যৱহাৰকাৰীৰ বাবে আটাইতকৈ অবাঞ্ছিত ঘটনা যদিও সেইবোৰ সঘনাই ঘটি অহা পৰিলক্ষিত হয়। সম্প্ৰতি ই এক মাৰাত্মক ব্যাধিত পৰিণত হৈছে। প্ৰত্যেক বছৰে ভাৰতত প্ৰায় পাঁচ লক্ষাধিক পথ দুৰ্ঘটনা ঘটে আৰু এনে দুৰ্ঘটনাত বছৰি ডেৰ লাখ মানুহ মৃত্যুমুখত পৰে। দেশ আৰু ৰাজ্যৰ মাটিকালি, ৰাস্তা প্ৰায় একেই, কিন্তু জনসংখ্যা, গাড়ী-মটৰৰ সংখ্যা দিনকদিনে বাঢ়ি গৈয়েই আছে। সেয়েহে ক্ৰমবৰ্ধমান হাৰত বৃদ্ধি পাইছে দুৰ্ঘটনা। ভাৰতৰ মুঠ জনসংখ্যাৰ মাত্ৰ ৮ শতাংশ লোকে চাৰিচকীয়া বাহন ব্যৱহাৰ কৰোঁতেই দৈনিক ৪২২ জনকৈ মানুহে প্ৰাণ হেৰুৱায় আমাৰ দেশত। ভাবকচোন দেশৰ ৫০ শতাংশ জনগণে বাহন ব্যৱহাৰ কৰিবলৈ হ'লে কি অৱস্থা হ'ব? দেশত নিৰ্মিত বহু বাহন দুৰ্ঘটনাৰ সময়ত জীৱন বচাব পৰাকৈ সুৰক্ষিত নহয়, যাৰ বাবে এনে বাহনক 'চলন্ত কফিন' বুলিও কোৱা হয়।আটাইতকৈ দুৰ্ভাগ্যজনক কথাটো হ'ল আমি ৰাস্তাত হোৱা দুৰ্ঘটনাৰ পৰা শিক্ষা নলওঁ।

পথ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত বেছিভাগ পথ ব্যৱহাৰকাৰীয়ে সাধাৰণ নিয়ম আৰু সুৰক্ষা ব্যৱস্থাৰ বিষয়ে যথেষ্ট ভালদৰে জানে যদিও সেইসমূহ পালন নকৰে, সচেতনতা অৱলম্বন নকৰে। ই দুৰ্ঘটনাৰ সৃষ্টিৰ ঘাই কাৰণ। দুৰ্ঘটনাৰ মূল কাৰণ চালকৰ ভুল। অভাৰ স্পীডিং, নিচাজাতীয় সামগ্ৰী যেনে ড্ৰাগছ, ভাং ,মদ্যপান কৰি গাড়ী চলোৱা, ট্ৰেফিক ছিগনেল উলংঘা, আপাৰ-ডিপাৰৰ খেলিমেলি, গাড়ীত ব্ৰেক নথকা, লাইচেঞ্চ নোহোৱাকৈ গাড়ী চলোৱা, প্ৰাপ্তবয়স্কৰ তলৰ কিশোৰ-কিশোৰীয়ে গাড়ী চলোৱা, বাহন চলোৱাৰ সময়ত ছিট বেল্ট নলগোৱা, হেলমেট নিপিন্ধা, মোবাইলত কথা পতা, ভুল পদ্ধতিৰে অভাৰটেকিং কৰা, পথৰ দুৰৱস্থা ইত্যাদি। ইয়াৰোপৰি ব্ৰেক বা ষ্টিয়াৰিং বিকল হোৱা, টায়াৰ ফাটি যোৱা, হেডলাইট বিকল হোৱা, অতিৰিক্ত বোজাই কৰা গাড়ী, ভগ্ন পথৰ দ গাঁত, ডাইভাৰচন, অবৈধ স্পীড ব্ৰেকাৰ, ঘন কুঁৱলী, বৰফ, প্ৰচণ্ড বৰষুণ, বতাহৰ ধুমুহা, শিলাবৃষ্টি ইত্যাদিও দুৰ্ঘটনাৰ অন্যতম কাৰণ। বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় গৱেষণাই এইবোৰক পথ দুৰ্ঘটনাৰ স্বাভাৱিক কাৰণ হিচাপে চিহ্নিত কৰিছে, যাৰ ফলত দুৰ্ঘটনা সংঘটিত হয়।

অধিকাংশ মাৰাত্মক দুৰ্ঘটনা অতি বেগত চলোৱাৰ বাবেই সংঘটিত হয়। গতি বৃদ্ধিয়ে দুৰ্ঘটনাৰ আশংকা আৰু দুৰ্ঘটনাৰ সময়ত আঘাতৰ তীব্ৰতা বহুগুণে বৃদ্ধি কৰে। লেহেমীয়া বাহনতকৈ দ্ৰুত বাহনৰ দুৰ্ঘটনাৰ প্ৰৱণতা বেছি আৰু দ্ৰুতগতিত দুৰ্ঘটনাৰ ভয়াৱহতাও বেছি হ'ব। গতি বেছি হ'লে বিপদ বেছি। মদ্যপানে একাগ্ৰতা হ্ৰাস কৰে। ই মানুহৰ শৰীৰৰ প্ৰতিক্ৰিয়াৰ সময় হ্ৰাস কৰে। মগজুৰ নিৰ্দেশনাৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ অংগবোৰে অধিক সময় লয়। মূৰ ঘূৰোৱাৰ বাবে দৃষ্টিশক্তিত বাধাৰ সৃষ্টি কৰে। মদ্যপানে ভয়ক ম্লান কৰে আৰু মানুহক ৰিস্ক ল'বলৈ উচটনি দিয়ে। গাড়ী চলোৱাৰ সময়ত এই সকলোবোৰ কাৰকে দুৰ্ঘটনাৰ সৃষ্টি কৰে আৰু বহু সময়ত ই মাৰাত্মক বুলি প্ৰমাণিত হয়। তেজত এলক'হলৰ পৰিমাণ ০.০৫ বৃদ্ধি পোৱাৰ বিপৰীতে দুৰ্ঘটনাৰ সম্ভাৱনা দুগুণ হয়। মদৰ উপৰিও বহু ড্ৰাগছৰ উপৰিও ঔষধে গাড়ী চলোৱাৰ বাবে প্ৰয়োজনীয় দক্ষতা আৰু একাগ্ৰতাতো প্ৰভাৱ পেলায়। সেয়েহে মদ্যপান কৰি বাহন চলোৱাতো অতি ভয়ংকৰ কথা।

গাড়ী চলাই থাকোতে মোবাইল ফোনত কথা পতাৰ কাৰ্য্যই মগজুৰ ডাঙৰ অংশ দখল কৰে আৰু সৰু অংশই গাড়ী চলোৱাৰ দক্ষতা চম্ভালে। মগজুৰ এই বিভাজনে প্ৰতিক্ৰিয়াৰ সময় আৰু বিচাৰ ক্ষমতাত বাধাৰ সৃষ্টি কৰে। এইটোৱেই হৈ পৰে দুৰ্ঘটনাৰ অন্যতম কাৰণ। গাড়ী চলোৱাৰ সময়ত ফোন কলৰ প্ৰতি কোনোৱে গুৰুত্ব দিব নালাগে। যদি ফোনটো জৰুৰী হয় তেন্তে ৰাস্তাৰ কাষেৰে ওলাই আহি গাড়ী ৰখাই কলটো ৰিচিভ কৰা উচিত। অন্যথা চালকজনক অন্যমনস্ক হৈ বিপদ ঘটিব পাৰে। চাৰিচকীয়া বাহনত ছিটবেল্ট ব্যৱহাৰ কৰাটো এতিয়া বাধ্যতামূলক আৰু ছিটবেল্ট নিপিন্ধালে জৰিমনা ভৰিবলগা হয়। দুচকীয়া বাহনৰ চালকৰ হেলমেটৰ ক্ষেত্ৰতো একেই কথা। এই দুটা বস্তুৱে দুৰ্ঘটনাৰ সময়ত আঘাতৰ পৰিমাণ হ্ৰাস কৰে বুলি প্ৰমাণিত হৈছে। গতিকে ছিটবেল্ট আৰু হেলমেট পিন্ধিলে গুৰুতৰ দুৰ্ঘটনাত জীয়াই থকাৰ সম্ভাৱনা দুগুণ হয়। সচেতনতাৰ সুৰক্ষা কৱচে মানুহক দুৰ্ঘটনাৰ ক্ষেত্ৰত অক্ষত আৰু সুৰক্ষিত কৰি ৰাখে। হেলমেট ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰাৰ পিছত দুচকীয়া বাহনৰ মৃত্যুৰ সংখ্যা বহু পৰিমাণে হ্ৰাস পাইছে।

দুৰ্ঘটনাত পথৰ বিভিন্ন কাৰকে কেনেদৰে অৰিহণা যোগায়? চালকঃ অতি বেগেৰে গাড়ী চলোৱা, ৰেচ ড্ৰাইভিং, নিয়ম উলংঘা, ট্ৰেফিক ছিগনেল বা পথ সংকেতৰ বুজিব নোৱাৰা, ভাগৰ, মদ্যপান। পথচাৰীঃ অসাৱধানতা, নিৰক্ষৰতা, অসচেতনভাৱে ৰাস্তা পাৰ হোৱা। যাত্ৰীঃ বাহনৰ বাহিৰত নিজৰ হাত-মুখ উলিয়াই যোৱা, চালকৰ লগত কথা পাতি, ফুটষ্টেপুত যাত্ৰা কৰা, ভুল ফালৰ পৰা বাহনত উঠা-নমা, চলি থকা বাছ দৌৰি গৈ ধৰা আদি। বাহনঃ ফিটনেছৰ ম্যাদ উকলি যোৱা, ইঞ্জিন আৰু বিভিন্ন অংশৰ বিজুতি ইত্যাদি। দুৰ্ঘটনাৰ প্ৰতিৰোধমূলক ব্যৱস্থাৰ ক্ষেত্ৰত পথ সুৰক্ষাৰ বিষয়ে শিক্ষা আৰু সজাগতা, যান-বাহন আইনৰ কঠোৰ বলৱৎ, পথৰ আন্তঃগাঁথনি, বাহনৰ সুৰক্ষা কৱচ বৃদ্ধি, পৰাপক্ষত ব্যক্তিগত বাহন এৰি বাছত অহা-যোৱাৰ অভ্যাস কৰা ইত্যাদি পন্থা অৱলম্বন কৰা উচিত।

■ **সম্পাদকীয়** ■

**শনিবাৰ,**
**৬ জানুৱাৰী, ২০২৪।।**
**নিশা ১০ বজা**

## সাংবাদিকগিৰি!

সংবাদ মাধ্যমৰ স্বাধীনতাৰ বিশ্ব সূচকাংকত (World Press Freedom Index) ভাৰতৰ স্থান প্ৰতি বছৰে অৱনমিত হৈয়ে আছে। ১৮০ খন দেশৰ ভিতৰত এই তালিকাত ২০২৩ চনত ভাৰতৰ স্থান আছিল ১৬১। অথচ ২০২১ চনত তালিকাত ভাৰতৰ স্থান আছিল ১৪২। ইয়াৰ পৰাই সহজে অনুমান কৰিব পাৰি ভাৰতত সংবাদ মাধ্যম আৰু সাংবাদিকৰ দশা কি? 'নজৰুল ভালে আছা?... তুলসীকো কৈ দিবা'ৰ দৰে হাজাৰ কাহিনীৰে ভৰি থকা এই মুলুকত সাংবাদিকসকল আজি অসহায়! সাংবাদিকে সম্পূৰ্ণ নিৰপেক্ষ অৱস্থান গ্ৰহণ কৰিলে বাইকত তেল ভৰাবলৈকো ধনৰ অভাৱ ঘটে। আনকি প্ৰাণৰ প্ৰতিও নামি আহে সংশয়। আনহাতে 'ওপৰৰ মাল'সকলক তৈলমৰ্দন কৰি চলিলে ধনৰ অভাৱ নঘটে যদিও সাংবাদিকৰ মান আৰু সন্মান ভিতৰি ভিতৰি ধূলিস্যাৎ হৈ পৰে। সেয়ে অধিকাংশ সাংবাদিকেই এই দুয়োটা পথৰ মাজতে মধ্যম পন্থা অৱলম্বন কৰি চলাৰ বাদে উপায় নাথাকে। তাৰ মাজতে... সাংবাদিকসকলৰো শ্ৰেণী থাকে। প্ৰথম শ্ৰেণীৰ সাংবাদিক, দ্বিতীয় শ্ৰেণীৰ সাংবাদিক, তৃতীয় শ্ৰেণীৰ সাংবাদিক। প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ সাংবাদিকসকলৰ ইমান বেচি চিন্তা নাথাকে। নেতা-মন্ত্ৰী, আমোলা-বিষয়াৰ সৈতে মিলি একপ্ৰকাৰ তেওঁলোকেও আওপকীয়াকৈ দেশ-ৰাজ্য চলাই থাকে। বাকী মৰণ মিলে এই তৃতীয় শ্ৰেণীৰ সাংবাদিকসকলৰ... এই শ্ৰেণীটোতেই পৰে গৰিষ্ঠসংখ্যক। অসহায় এইসকল সাংবাদিকক সাধাৰণ মানুহেও গুৰুত্ব নিদিয়ে, নেতা-মন্ত্ৰী, আমোলা-বিষয়াইয়ো নিদিয়ে! তাৰ মাজতে চলি থাকে সাংবাদিকতা, অ-সাংবাদিকতা আৰু মাজে মাজে কেতিয়াবা সাংবাদিকগিৰি!

# ৰাম মন্দিৰক লৈ ইছলামধৰ্মীক উত্তেজিত কৰাৰ প্ৰয়াস আজমলৰ

**ই-সংবাদ, ৬ জানুৱাৰীঃ** পুনৰ অসমৰ ইছলামধৰ্মীক উচটাই ৰাজনীতিৰ জোল খোৱাৰ ফন্দি পাতিছে কট্টৰ নেতা বদৰুদ্দিন আজমলে৷ বাৰে বাৰে সাম্প্ৰদায়িক মন্তব্য প্ৰদান কৰি অহা ইউডিএফ প্ৰধান তথা ধুবুৰীৰ সাংসদ বদৰুদ্দিন আজমলৰ বিৰুদ্ধে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰাৰ ফলতে পুনৰ আজমলে সাম্প্ৰদায়িক সংঘৰ্ষ লগোৱাৰ ষড়যন্ত্ৰ কৰাৰ অভিযোগ উত্থাপন হৈছে৷ এইবাৰ ৰাম মন্দিৰক লৈ বদৰুদ্দিন আজমলে বিতৰ্কিত মন্তব্য প্ৰদান কৰিছে৷ যি মন্তব্যই অসমৰ সামাজিক পৰিৱেশ বিঘ্নিত কৰিব পাৰে৷ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ দিনটোত মুছলমানক নিজ ঘৰতে থকাৰ আহ্বান জনাইছে বদৰুদ্দিন আজমলে। ২০-২৫ জানুৱাৰীলৈ মুছলমানক ঘৰত থকাৰ পৰামৰ্শ দিয়াৰ লগতে ৰে'লত ভ্ৰমণ নকৰিবলৈ আহ্বান জনাইছে বিতৰ্কিত আজমলে। ৰাম মন্দিৰৰ উদ্বোধনী অনুষ্ঠানত মুছলমান লোকসকলক ঘৰতে সোমাই থাকিবলৈ আহ্বান জনাই আজমলে কয়, ‘আমাৰ মুছলমান ভাইসকলে ২০-২৫ জানুৱাৰীলৈ ৰে'লত ভ্ৰমণ নকৰিব। ৰাম জন্মভূমিৰ মূৰ্তি ৰখা হ'ব, ৰামৰ মূৰ্তি ৰখা হ'ব, গোটেই পৃথিৱীয়ে চাই থাকিব। বিজেপিৰ পৰিকল্পনা ডাঙৰ। আমি শান্তি-সম্প্ৰীতি বজাই ৰাখিব লাগিব৷ এইকেইদিন ৰে'ল যাত্ৰা কৰিব নালাগে।' লগতে আজমলে বিজেপিক মুছলমানৰ শত্ৰু বুলি অভিহিত কৰি মুছলমানৰ প্ৰাণৰ শত্ৰু, আজানৰ শত্ৰু, মাদ্ৰাছাৰ শত্ৰু, মছজিদৰ শত্ৰু আৰু ইছলামিক আইনৰ শত্ৰু বুলিও মন্তব্য কৰে সাংসদ বদৰুদ্দিন আজমলে।

# বিটিচিৰ ৯৫ গৰাকী ফিক্সড পে' কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ




**ই-সংবাদ, কোকৰাঝাৰ, ৫ জানুৱাৰীঃ** বিটিচিৰ বিধান পৰিষদীয় ভৱনৰ প্ৰেক্ষাগৃহত আজি আয়োজিত হোৱা এক অনুষ্ঠানৰ জৰিয়তে ৯৫ গৰাকী ফিক্সড পে' কৰ্মচাৰীক চাকৰি নিয়মীয়াকৰণৰ নিযুক্তি পত্ৰ বিতৰণ কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। বিটিআৰৰ ২১ টা বিভাগত নিযুক্তি পত্ৰ লাভ কৰা ৯৫ গৰাকী কৰ্মচাৰীৰ ভিতৰত ৫ গৰাকী তৃতীয় বৰ্গৰ আৰু বাকী ৯০ গৰাকীক চতুৰ্থ বৰ্গৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে আজি নিযুক্তি পত্ৰ লাভ কৰ্মচাৰীসকল বিগত ২০১১ চনৰ পৰাই বিটিআৰৰ বিভিন্ন বিভাগত ফিক্সিড পে' কৰ্মচাৰী হিচাপে কাম কৰি আহিছিল। ইপিনে নিযুক্তি পত্ৰ বিতৰণৰ অন্তত প্ৰমোদ বড়োৱে সাংবাদিকৰ আগত কয় যে পূৰ্বৰ চৰকাৰে বহু ভুল কৰি থৈ গৈছে। সাক্ষাৎকাৰ নোহোৱাকৈ পূৰ্বৰ চৰকাৰে বহুত নিযুক্তি দিছে। নিৰ্বাচনৰ পূৰ্বে কোনো নীতি নিয়ম নোহোৱাকৈ পূৰ্বৰ চৰকাৰে নিযুক্তি দি থৈ গৈছে যিবোৰ নিয়মীয়াকৰণ কৰিব পৰা অৱস্থাত নাই। বিটিচি সচিবালয়ত খালী হৈ থকা তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদসমূহ সম্পূৰ্ণ নিয়মানুসাৰে পূৰণ কৰা হ'ব বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে অতিশীঘ্ৰে বিটিআৰৰ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ প্ৰায় ২৮০০ টা পদত নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি কয়। আজিৰ অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেৱা নাৰ্জিহাৰী, ধনঞ্জয় বসুমতাৰী, ৰঞ্জিত বসুমতাৰী, নিলুৎ স্বৰ্গীয়াৰী, অৰূপ কুমাৰ দে, বিটিচিৰ প্ৰধান সচিব আকাশ দ্বীপ উপস্থিত আছিল।

শেষ পৃষ্ঠা

# অষ্ট্ৰেলিয়ান অপেনত অনিশ্চিত নাদাল

**ব্ৰীছবেন, ৬ জানুৱাৰীঃ** অষ্ট্ৰেলিয়ান অপেনলৈ মাত্ৰ এটা সপ্তাহ স্পেনিছ টেনিছ তাৰকা ৰাফেল নাদাল তেওঁৰ বাঁও উৰুৰ আঘাতকৈ চিন্তাত পৰিছে। বিগত বৰ্ষৰ অষ্ট্ৰেলিয়ান অপেনৰ পিছত নাদালৰ বাঁও উৰু অস্ত্ৰপ্ৰচাৰ কৰা হৈছিল। ইয়াৰ পিছত প্ৰায় এটা বছৰ কৰ্টৰ বাহিৰত আছিল। ব্ৰীছবেন অপেনত তেওঁ প্ৰত্যাবৰ্তন কৰে। ইয়াত প্ৰথমখন মেছত ডমিনিক থিয়ামৰ বিৰুদ্ধে পোনপটীয়া ছেটত জয়লাভ কৰে। কিন্তু কোৱাৰ্টাৰ ফাইনেলত জৰ্ডান থমছনৰ বিপৰীতে খেলাৰ সময়ত চিকিৎসা জনিত কাৰণত খেল আধৰুৱা কৰিব লগীয়া হয়। এনে পৰিস্থিতিত অষ্ট্ৰেলিয়ান অপেনত ২২ টা গ্ৰেণ্ডশ্লেম খিতাপ জয় কৰা নাদাৰৰ অংশগ্ৰহণ অংশগ্ৰহণ অনিশ্চিত হৈ পৰিছে।





## কলিযুগৰ ভৰত শ্ৰীনিবাস শাস্ত্ৰী!

# কোটি টকীয়া স্বৰ্ণ পাদুকা মূৰত লৈ অযোধ্যা যাত্ৰা

**অনলাইন ফিচাৰ্ছ, ৫ জানুৱাৰীঃ** ৰামায়ণত বনবাসত থকা শ্ৰী ৰামচন্দ্ৰৰ পাদুকা লৈ সিংহাসনত বহিছিল ভাতৃ ভৰত। এইবাৰ কলিযুগত চৰ্চালৈ আহিছে আন এগৰাকী ভৰতৰ। অহা ২২ জানুৱাৰীত অযোধ্যাত মহা উলহ মালহেৰে প্ৰাণ প্ৰতিষ্ঠা কৰা হব ৰাম মন্দিৰৰ। আৰু তাৰ ঠিক পূৰ্বে চৰ্চালৈ আহিছে ৰামচন্দ্ৰৰ স্বৰ্ণ পাদুকা মূৰত লৈ অযোধ্যালৈ ৰাওনা হোৱা কলিযুগৰ ভৰত শ্ৰীনিবাস শাস্ত্ৰীৰ কথা। হায়দৰাবাদৰ চৰলাৰ নিবাসী শ্ৰীনিবাস শাস্ত্ৰীয়ে কোটি টকা মূল্যৰ স্বৰ্ণ পাদুকা মূৰত লৈ ইতিমধ্যে আৰম্ভ কৰিছে যাত্ৰা। ২৮ ডিচেম্বৰত অন্ধ্ৰ প্ৰদেশৰ পূৱ গোদাবৰী জিলাৰ বেদুৰপাকা নামৰ এখন গাঁৱৰ পৰা ২০ গৰাকী ৰামভক্তৰ সৈতে খোজকাঢ়ি যাত্ৰা আৰম্ভ কৰা শাস্ত্ৰীয়ে ১৩০০ কিলোমিটাৰৰ যাত্ৰা সম্পূৰ্ণ কৰি ১৩ জানুৱাৰীত অযোধ্যাত উপস্থিত হোৱাৰ পৰিকল্পনা কৰিছে। মূৰত ১.২ কোটি টকা মূল্যৰ স্বৰ্ণ পাদুকা কঢ়িয়াই আনি তেওঁ সেই পাদুকাযোৰ হস্তান্তৰ কৰিব উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথক। উল্লেখ্য যে, শ্ৰীনিবাস শাস্ত্ৰী হায়দৰাবাদৰ অযোধ্যা ভাগ্যনগৰ সীতাৰাম সেৱা ট্ৰাষ্ট ফাউণ্ডেচনৰ সঞ্চালক পদতো অধিষ্ঠিত। তেওঁ মূৰত তুলি অনা পাদুকাযোৰ নিৰ্মান কৰা হৈছে ৮ কেজিকৈ মুঠ ১৬ কেজি ৰূপেৰে। সম্পূৰ্ণৰূপে সোণেৰে মেৰিয়াই থোৱাৰ বাবে প্ৰতিপাত পাদুকাৰ ওজন হৈছে চাৰে বাৰ কেজিকৈ। এই গধুৰ পাদুকা মূৰত তুলি প্ৰতিদিনে প্ৰায় ৩৮ কিলোমিটাৰ পথ অতিক্ৰম কৰি আছে কলিযুগৰ ভৰত শ্ৰীনিবাস শাস্ত্ৰীয়ে। শ্ৰীনিবাসে কয় যে যোগী আদিত্যনাথৰ সৈতে ইতিমধ্যে তেওঁ কথাও পাতিছে। মুখ্যমন্ত্ৰীয়ে আশ্বাস দিছে যে এই পাদুকাযোৰ ৰাম মন্দিৰত স্থাপনৰ অনুমতি দিয়া হ'ব। কিন্তু কেৱল পাদুকাই নহয়, তাৰ পূৰ্বে ৰাম মন্দিৰৰ বাবে আঢ়ৈ কেজি ওজনৰ পাঁচটা ৰূপৰ ইটাও দান দিছিল শ্ৰীনিবাস শাস্ত্ৰীয়ে। যিটো ৰাম মন্দিৰৰ ভেটি স্থাপন অনুষ্ঠানত ব্যৱহাৰ কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান